# IBSA Sherpas' Meeting (6 August, 2020)

August 06, 2020

## আই বি এছ এ(IBSA) চেৰপাছসকলৰ বৈঠক(6 আগষ্ট 2020)

আগষ্ট 06, 2020

1. ভিডিঅ কনফাৰেন্সৰ জৰিয়তে 6 আগষ্ট 2020 তাৰিখে আই বি এছ এ (ভাৰত, ব্ৰাজিল আৰু দক্ষিণ আফ্ৰিকা) চেৰপাছসকলৰ বৈঠক অনুষ্ঠিত হৈছিল।

2. ভাৰতীয় প্ৰতিনিধিসকলক প্ৰতিনিধিত্ব কৰে বৈদেশিক পৰিক্ৰমা মন্ত্ৰণালয়ৰ সচিব(অৰ্থনীতি সম্পৰ্ক) শ্ৰী ৰাহুল চাব্ৰায়। বৈঠকত দক্ষিণ আফ্ৰিকা গণৰাজ্যৰ পৰা শ্ৰী দেভ মেলকমশ্বনে আৰু ব্ৰাজিল যুক্তৰাষ্ট্ৰীয় গণৰাজ্যৰ চেৰপা ৰাষ্ট্ৰদূত নৰ্বাটো মৰেটিয়ে সংশ্লিষ্ট প্ৰতিনিধিসকলক প্ৰতিনিধিত্ব কৰে।

3. চেৰপাসকলে শেষৰখন বৈঠকৰ পৰা IBSA-ৰ অধীনত হোৱা অগ্ৰগতিৰ পৰ্যালোচনা কৰে। IBSA চেৰপাসকলে যুটীয়া কাৰ্যকৰী গ্ৰুপসমূহৰ কাৰ্যকলাপৰো পৰ্যালোচনা কৰে।

4. চেৰপাসকলে IBSA-ত হৈ থকা অগ্ৰগতি ওপৰত সন্তোষ ব্যক্ত কৰে। সম্প্ৰতি হৈ থকা কভিড-19 মহামাৰীৰ ফলত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ সময়ত IBSA বৈদেশিক মন্ত্ৰীসকলৰ নিয়মীয়া বৈঠক সহ বহু কেইটা কাৰ্যক্ৰম স্থগিত কৰা হৈছে।

5. চেৰপাসকলে এই বছৰৰ শেষৰ ফালে দক্ষিণ আফ্ৰিকা উপকূলত 7ম IBSAMAR (যুটীয়া নৌসেনা অনুশীলন)ৰ আয়োজনৰ কাৰণে অপেক্ষা কৰি আছে।

6. IBSA চেৰপাসকলে 20খন দেশত 31 টা প্ৰকল্পৰ জৰিয়তে দৰিদ্ৰতা আৰু ক্ষুধা উপশমৰ ওপৰত IBSA পুঁজিৰ দ্বাৰা সম্পাদিত কামৰ কাৰণে প্ৰশংসা কৰে। IBSA পুঁজিয়ে যথেষ্ট প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে।

7. তেওঁলোকে 2017 বৰ্ষত ভাৰতৰ উদ্যোগত আৰ আই এছ-ত আৰম্ভ হোৱা IBSA ফেলশ্বিপ কাৰ্যক্ৰমৰো প্ৰশংসা কৰে। তেওঁলোকে IBSA ফেলশ্বিপ কাৰ্যক্ৰমৰ পৰৱৰ্তী পৰ্যায়ৰ বাবে অপেক্ষা কৰিছে।

**নতুন দিল্লী**
**আগষ্ট 6, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.